**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-01-2027
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত সম্পাদিত মুক্ত বাণিজ্য চুক্তিখনক ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজৰ সম্পৰ্কৰ গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি বুলি অভিহিত কৰিছে।

২। সংসদৰ বাজেট অধিৱেশন কাইলৈ আৰম্ভ হ'ব।

৩। কেন্দ্ৰীয় চৰকাৰে আজি সংসদৰ বাজেট অধিৱেশনৰ পূৰ্বে সংসদৰ উপ-ভৱনত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰে।

৪। কেন্দ্ৰীয় চৰকাৰে বৈজ্ঞানিক গৱেষণা, উদ্ভাৱন আৰু সমাৰ্থ্য বৃদ্ধিৰ প্ৰতি অহৰহ সহযোগিতা আগবঢ়াই আহিছে বুলি বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে প্ৰকাশ কৰিছে।

*আৰু*

৫। মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত দেলহী কেপিটেলছ গুজৰাট জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত সম্পাদিত মুক্ত বাণিজ্য চুক্তিখনক ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজৰ সম্পৰ্কৰ গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি বুলি অভিহিত কৰিছে। শ্ৰীমোদীয়ে আজি সামাজিক মাধ্যমযোগে এই চুক্তি সম্ভৱ কৰি তোলাৰ ক্ষেত্ৰত বছৰ বছৰ ধৰি বৰঙণি আগবঢ়োৱা ইউৰোপৰ নেতাসকলক তেওঁলোকৰ ইতিবাচক দৃষ্টিভংগী আৰু প্ৰতিশ্ৰুতিবদ্ধতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয়, যে চুক্তিখনে অৰ্থনৈতিক সম্পৰ্ক গভীৰ কৰি তুলিব, জনসাধাৰণৰ বাবে সুযোগৰ সৃষ্টি কৰিব আৰু সমৃদ্ধিশালী ভৱিষ্যতৰ বাবে ভাৰত-ইউৰোপীয় সহযোগিতা সুদৃঢ় কৰি তুলিব।

শ্ৰীমোদীয়ে কয়, যে বিশ্বৰ দ্বিতীয় সৰ্ববৃহৎ আৰু চতুৰ্থ সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰ মাজৰ এই ঐতিহাসিক চুক্তিখনে অভূতপূৰ্ব সুযোগ সৃষ্টি কৰিব আৰু বিকাশ তথা সহযোগিতাৰ নতুন পথ মুকলি কৰিব। চুক্তিখনে বিশ্ব সমুদায়ক উপকৃত কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয়, যে চুক্তিখনে গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহত কৰ্ম সংস্থাপনৰ গুণগত সুযোগ সৃষ্টি কৰিব, যুৱ-প্ৰজন্ম, বৃত্তিধাৰী প্ৰতিভা, শিক্ষাৰ্থী আৰু গৱেষকসকলক ডিজিটেল যুগৰ সম্ভাৱনাৰ সদ্ব্যৱহাৰ কৰাত সহায় কৰিব। শ্ৰীমোদীয়ে কয়, যে এই বাণিজ্য চুক্তিখনে উদ্ভাৱনৰ প্ৰসাৰত উদগনি যোগাব আৰু পাৰস্পৰিক বিকাশৰ বাবে অৰ্থনৈতিক সম্পৰ্ক সুদৃঢ় কৰিব। ভাৰত আৰু ইউৰোপীয় সংঘই সমৃদ্ধিশালী আৰু বহনক্ষম ভৱিষ্যতৰ দিশে আস্থা আৰু অভিলাষেৰে অগ্ৰসৰ হৈছে বুলি তেওঁ মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে মুক্ত বাণিজ্য চুক্তিক সুস্থিৰ, সমৃদ্ধিশালী আৰু ভৱিষ্যৎমুখী অৰ্থনৈতিক সম্পৰ্ক গঢ় দিয়াৰ উমৈহতীয়া সংকল্পৰ প্ৰতিফলন বুলি অভিহিত কৰে। আজিৰ দিনটো ইতিহাসত চিৰ স্মৰণীয় হৈ ৰ'ব বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে চুক্তিখনক ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজৰ সম্বন্ধৰ গুৰুত্বপূৰ্ণ মাইলৰ খুটি বুলি অভিহিত কৰে।

